# মীৰা ঠাকুৰৰ কবিতা

**মনোৰম খেল**

হাতত সাৰে ভৰিত সাৰে
বাঢ়ি আহে খোজবোৰ।

পিটনি খচকি
পানী মেটেকা ভাঙি।

অৰণ্য চৌচিৰা কৰি
এৰাসুঁতিৰ ভঙা সাঁকোৰে।

পঁজালবোৰ গোপনে বাঢ়ি আহে
এন্ধাৰৰ দেৱাল বগাই চুঁচৰি চুঁচৰি...

এচামে পথ দেখুৱায়
এচাম সতৰ্ক হয়।

তেতিয়াই ভোক লাগে জে চি বিৰ
হিলদ' ল ভাঙি আগুৱায়...

এক্সকেভেটৰে গোঁজৰে
মূছকঁছ যায় খিয়দঙা দিয়া ঠিকনা।

পোহৰে এঙামুৰি দিলেই
হৰলুকি হয় ঠিকনা।

এন্ধাৰে চামিয়ানা তৰিলেই গজি উঠে
অচিনাকি চিনাকি খোজবোৰ।

পলকতে এটা চুবুৰি, পলকতে এখন গাঁও
ছানি ধৰে অৰণ্য পথাৰ চন পৰা মাটি, যেন কাকতি ফৰিং

সহনশক্তি হেৰুৱাই জে চি বিয়ে দাঁত কৰছে
ঘৰবোৰ মূছকঁছ যায়, ঠিকনাবোৰ হেৰায়

দিনত হেৰায়, ৰাতি গজে
ৰাতি গজে দিনত হেৰায়

সময় সুবিধাৰ স' তে মিলিজুলি
চলি থাকে এই মনোৰম খেল...